জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৭২/২০২০

# অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত সৰ্বদলীয় বৈঠক অনুষ্ঠিত

## ক'ভিড-১৯ ৰ বিৰুদ্ধে 'টীম অসম'ৰ মানসিকতাৰে কাম কৰাৰ বাবে সকলো ৰাজনৈতিক দলৰ নেতৃবৃন্দক মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ১২ এপ্ৰিল ঃ** ক'ৰণা ভাইৰাছৰ সংক্ৰমণে সমগ্ৰ বিশ্বৰ লগতে অসমতো সৃষ্টি কৰা জটিল পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ৰাজ্যখনৰ সকলো ৰাজনৈতিক দলক ঐক্যবদ্ধভাৱে টীম অসমৰ মানসিকতাৰে কাম কৰাৰ বাবে আহ্বান জনাইছে।

আজি অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত ৰাজ্য চৰকাৰৰ দ্বাৰা আয়োজিত সৰ্বদলীয় বৈঠকত মুখ্যমন্ত্ৰীয়ে এই আহ্বান জনায়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে ক'ৰণা ভাইৰাছৰ সংক্ৰমণে জটিল পৰিস্থিতিৰ সৃষ্টি কৰাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনৰ সকলো ৰাজনৈতিক দলে ক'ভিড-১৯ ৰ সংক্ৰমণ প্ৰতিহত কৰাৰ দিশত টীম অসমৰ মানসিকতাৰে সন্মিলিতভাৱে কাম কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে এনেধৰণৰ জটিল স্বাস্থ্যজনিত জৰুৰী সময়ত চৰকাৰ তথা বিৰোধী দলসমূহে ঐক্যবদ্ধভাৱে কাম কৰিব লাগিব যাতে এই অদৃশ্য ভাইৰাছে বহন কৰা জটিলতাৰ পৰা পৰিত্ৰাণ পোৱাৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহ আগুৱাই নিব পাৰে।

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে এই সময়ত ৰাজ্য চৰকাৰে জনসাধাৰণৰ স্বাস্থ্যৰ লগতে ৰাজ্যখনৰ অৰ্থনৈতিক অৱস্থাও সুস্থিৰ কৰি ৰখাৰ বাবে কাম কৰিবলগীয়া হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে এই ভাইৰাছৰ বিৰুদ্ধে এতিয়ালৈকে কোনো ধৰণৰ প্ৰতিষেধক আবিস্কাৰ নোহোৱা হেঁতু সামাজিক ব্যৱধান আৰু জনসমাগমৰ পৰা আঁতৰি থকাটোৱেই ইয়াৰ পৰা পৰিত্ৰাণ পোৱাৰ একমাত্ৰ অস্ত্ৰ।

মুখ্যমন্ত্ৰীয়ে কয় যে লক ডাউনৰ বাবে ৰাজ্যখনৰ জনসাধাৰণৰ অৰ্থনৈতিক কাম-কাজ স্তিমিত হৈ পৰিছে আৰু ইয়ে ৰাজ্যখনৰ সামগ্ৰিক অৰ্থনীতিতো প্ৰভাৱ পেলাইছে। চৰকাৰে এই ক'ৰণা ভাইৰাছৰ সংক্ৰমণ শৃংখল প্ৰতিহত কৰাৰ বাবে এই লক ডাউনৰ কাৰ্যসূচী বলৱৎ কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। লক ডাউনৰ সময়ছোৱাত অত্যাৱশ্যকীয় সামগ্ৰী ৰাজ্যখনৰ চুকে-কোণে কোনো ব্যাঘাত নোহোৱাকৈ প্ৰাপ্তিৰ দিশত চৰকাৰে ব্যৱস্থা লৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। বিভিন্ন চৰকাৰী বিভাগে ৰাজ্যখনৰ সাধাৰণ জনতাৰ সহায়ক হোৱাকৈ অত্যাৱশ্যকীয় সামগ্ৰীৰ অবিৰত সৰবৰাহ অক্ষুণ্ণ ৰখাৰ বাবে দিনে-নিশাই কৰ্তব্যত অৱতীৰ্ণ হৈ আছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। লক ডাউনৰ সময়ছোৱাত ৰাজ্যখনৰ আৰ্থিকভাৱে পিছপৰা শ্ৰেণীৰ জনসাধাৰণৰ বাবে চৰকাৰে বিভিন্ন ধৰণৰ আঁচনি গ্ৰহণ কৰি হিতাধিকাৰীৰ বেংক একাউন্টলৈ বিত্তীয় সাহায্য হস্তান্তৰকৰণৰ পদক্ষেপ লৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

ক'ৰণা ভাইৰাছৰ বিৰুদ্ধে চিকিৎসকৰ পৰা চাফাই কৰ্মী, আশা কৰ্মী, এম্বুলেঞ্চৰ চালককে ধৰি ফ্ৰন্ট লাইনৰ কৰ্মীসকলে আগবঢ়াই থকা সেৱাৰ বাবে সৰ্বদলীয় বৈঠকে এইসকল কৰ্মীক ধন্যবাদ জ্ঞাপন কৰাৰ

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

মত পোষণ কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে সৰ্বদলীয় বৈঠকত উপস্থিত থকা নেতৃবৃন্দক ধন্যবাদ জ্ঞাপন কৰে।

লক ডাউনৰ বাবে দেশৰ বিভিন্ন প্ৰান্তত আবদ্ধ হৈ থকা অসমৰ লোকসকলৰ থকা তথা খাদ্যৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ লৈছে বুলি উল্লেখ কৰি ইয়াৰ বাবে বিভিন্ন ৰাজ্যত থকা অসম ভৱন তথা অসম হাউছক ইতিমধ্যে নিৰ্দেশনা দিয়া হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ৰাজ্যৰ বাহিৰত চিকিৎসাধীন হৈ থকা অসমৰ ৰোগীসকলক ২৫ হাজাৰ টকাকৈ প্ৰদানৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ লৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে সকলো ৰাজনৈতিক দলৰ নেতৃবৃন্দক ৰাজ্যখনৰ প্ৰতিটো সমষ্টিৰ নিৰীক্ষণ কৰাৰ বাবে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কোনো যোগ্য লোক যদি চৰকাৰী সুবিধাৰ পৰা বঞ্চিত হৈ আছে সেই সম্পৰ্কে জিলা প্ৰশাসনক অৱগত কৰাৰ বাবেও আহ্বান জনায়। এই সময়ছোৱাত বিভিন্ন চৰকাৰী আছুতীয়া কেন্দ্ৰ অথবা নিজৰ ঘৰতে কুৱাৰাইন্টাইনত থকা লোকসকলৰ প্ৰতি চৰকাৰী বিভাগৰ উপৰি সকলোকে শান্ত্বনা আৰু সাহস প্ৰদানৰ পদক্ষেপ ল'বলৈও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়।

মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষাৰ পৰিয়াল পৰিচয় পত্ৰ থকা পৰিয়ালক চৰকাৰে সাহায্য প্ৰদান কৰাৰ উপৰি ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা পৰিয়াল পৰিচয় পত্ৰ নথকা পৰিয়াললৈ বিত্তীয় সাহায্য প্ৰদানৰ দৰে পদক্ষেপ চৰকাৰে গ্ৰহণ কৰিছে। তদুপৰি মুখ্যমন্ত্ৰী কৃষি সা-সঁজুলি আঁচনিৰ জৰিয়তে হিতাধিকাৰী কৃষকৰ বেংক একাউন্টলৈ ২,৫০০ টকাকৈ প্ৰদানৰ প্ৰক্ৰিয়া চলাই থকা হৈছে। ক'ভিড-১৯ ৰ এই জটিল সময়ত চৰকাৰে আৰ্তজনৰ বাবে এনেধৰণৰ কল্যাণকামী পদক্ষেপ লৈ আছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

ইয়াৰ পূৰ্বে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যখনৰ ক'ভিড-১৯ ৰ সাম্প্ৰতিক পৰিস্থিতি তথা এই প্ৰত্যাহ্বান মোকাবিলা কৰাৰ দিশত ৰাজ্য চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে লোৱা পদক্ষেপসমূহ আলোকপাতেৰে বক্তব্য প্ৰদান কৰে।

আজিৰ এই সৰ্বদলীয় বৈঠকত কংগ্ৰেছ, অসম গণ পৰিষদ, এ আই ইউ ডি এফ, বি পি এফ, চি পি আই, চি পি আই (এম), এন চি পি, আৰ জে ডি, তৃণমূল কংগ্ৰেছ, ইউ পি পি এলকে ধৰি অন্যান্য দলৰ নেতৃবৃন্দই অংশগ্ৰহণ কৰি ক'ভিড-১৯ নিয়ন্ত্ৰণ আৰু প্ৰতিহত কৰাৰ দিশত নিজৰ পৰামৰ্শাৱলী আগবঢ়ায়।

আজিৰ এই বৈঠকত কৃষি মন্ত্ৰী অতুল বৰা, জলসম্পদ মন্ত্ৰী কেশৱ মহন্ত, উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈ, বিধান সভাৰ বিৰোধী দলৰ দলপতি দেৱব্ৰত শইকীয়া, এ আই ইউ ডি এফ বিধায়িনী দলৰ নেতা হাফিজ বছিৰ আহমেদ, ৰাজ্য সভাৰ সদস্য বিশ্বজিৎ দৈমাৰী, বিধান সভাৰ প্ৰাক্তন অধ্যক্ষ তথা হাউছফেডৰ অধ্যক্ষ ৰঞ্জিত দাস, মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ, আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্তকে ধৰি অন্যান্য নেতৃবৃন্দ উপস্থিত থাকে।

**সুঃদঃ /বঃ ভাঃ / পুঃডেঃ / প্ৰঃকুঃবঃ**
**১২/৪/২০২০**